দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তম বছৰ, সংখ্যা ১৪০ ● দেওবাৰ ● ১৩ মাঘ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Sunday January 28, 2024 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প...

## ...ৰ বিশ্ববিদ্যালয়ৰ ...দ্যালয় যুৱ মহোৎসৱ

...লয়লৈ ...সন্মান

..., পৰিষ্কাৰ- ...য়াস কৰি ... ডিব্ৰুগড় ...হোৎসৱত ...কৰা হয়। ... পৰিষ্কাৰ- ... পুৰা যুৱ ... এইবাৰেই ...বিদ্যালয়ে ...ালয়খনৰ ... সজাগতা ...ধ্য কানৈ ...ৱে বিভিন্ন ... কৰিছে।

এইবাৰ যুৱ মহোৎসৱত ব্যাপক প্ৰতিযোগিতাৰ মাজত কানৈ মহাবিদ্যালয়ে পৌনপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনীত প্ৰকাশিত সম্পাদকীয়ত প্ৰথম আৰু আলোচনী বিভাগত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, ১৬ বিভাগত বঁটা লাভ কৰিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খনে ক্ৰমে কাৰ্টুন প্ৰতিযোগিতাত প্ৰথম, আল্পনা প্ৰতিযোগিতাত প্ৰথম, ক'লাজ প্ৰতিযোগিতাত প্ৰথম, তবলা বাদন প্ৰতিযোগিতাত প্ৰথম, ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতাত দ্বিতীয়, ৰাভা সংগীত প্ৰতিযোগিতাত দ্বিতীয়, জয়ন্ত সংগীত প্ৰতিযোগিতাত দ্বিতীয়, পশ্চিমীয়া সংগীত প্ৰতিযোগিতাত দ্বিতীয়, চলচ্চিত্ৰ সমালোচনা প্ৰতিযোগিতাত দ্বিতীয়, ভজন প্ৰতিযোগিতাত তৃতীয়, প'ষ্টাৰ মেকিং প্ৰতিযোগিতাত তৃতীয়, কুইজ প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠ দল, খেয়াল প্ৰতিযোগিতাত বিচাকৰ বিশেষ বঁটা লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ এনে কৃতিত্বৰ বাবে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## ড° শশীকান্ত শইকীয়ালৈ চৈয়দ আব্দুল মালিক সোঁৱৰণী সন্মান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ জানুৱাৰী ঃ অসম শিল্পী কাননৰ লাহোৱাল আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা শিল্পী দিৱসত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক চৈয়দ আব্দুল মালিক সোঁৱৰণী সন্মান প্ৰদান কৰা হয়। অসম শিল্পী কানন কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰধান মৃদু পৱন বৰা, সাংগঠনিক সম্পাদক মুৰুলী কাকতী, শিৱসাগৰ জিলা শিল্পী কাননৰ সাধাৰণ সম্পাদক হোমেন দুৱৰা, শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক অভিনৱ দত্ত, লাহোৱাল আঞ্চলিকৰ সভাপতি বিন্দু গগৈ, সম্পাদিকা তৃষ্ণা দত্ত বৰুৱা, সাংস্কৃতিক সম্পাদক মাধুৰ্য বৰুৱা, কোষাধ্যক্ষ জ্যোতি প্ৰসাদ চেতিয়া প্ৰমুখ্যে দুই শতাধিক গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত ড° শইকীয়াক এই সন্মান প্ৰদান কৰা হয়।

## সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ দ্বাদশ ডুমডুমা অধিৱেশনৰ লাইখুঁটা স্থাপন



ডুমডুমা ঃ নিজা বাতৰি দিওঁতা, ২৭ জানুৱাৰী ঃ সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ দ্বাদশ ডুমডুমা অধিৱেশনখন ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বৃহত্তৰ ডুমডুমাবাসী ৰাইজৰ আতিথ্যত অহা ২, ৩ আৰু ৪ ফেব্ৰুৱাৰীৰ ডুমডুমা নগৰ খেলপথাৰত অনুষ্ঠিত হ'ব। ইতিমধ্যে ডাঃ প্ৰণৱজ্যোতি ডেকাক সভাপতি, অনুজ কলিতা, জিতু ডেকা আৰু উত্তম বৰুৱাক কাৰ্যকৰী সভাপতি আৰু প্ৰতিম নেওগক সাধাৰণ সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। আজি ডুমডুমা নগৰ খেলপথাৰত তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ দ্বাদশ ডুমডুমা অধিৱেশনৰ মূল মণ্ডপৰ লাইখুঁটা স্থাপন কৰা হয়। দিচামদেও সত্ৰৰ প্ৰধান গুৰু বাবুল দহোটীয়াই সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে আনুষ্ঠানিকভাৱে লাইখুঁটা স্থাপন কৰে। এইক্ষেত্ৰত তেওঁক সহযোগিতা আগবঢ়ায় অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঃ প্ৰণৱজ্যোতি ডেকা আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰাণা সোণাৰ, সাংগঠনিক সম্পাদক নিখিল কোচ, কাৰ্যনিৰ্বাহক সদস্য লব্ধ প্ৰতিম দাস, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰাজা বলিমৰা, সাধাৰণ সম্পাদক সমৰজ্যোতি গোহাঁই প্ৰমুখ্যে বিষয়ববীয়া আৰু সদস্যসকল, অভ্যৰ্থনা সমিতিৰ সভাপতি, সম্পাদক প্ৰমুখ্যে বিষয়ববীয়াসকল, জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল, জাতীয় জনগোষ্ঠীয় সংগঠনৰ বিষয়ববীয়া আৰু স্থানীয় বিশিষ্ট সমাজকৰ্মী উপস্থিত থাকে। অধিৱেশনৰ আটাইকেইটা দিনৰ প্ৰতিটো কাৰ্যসূচীত সমূহ ৰাইজৰ সহায়- সহযোগিতা অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক প্ৰতিম নেওগে কামনা কৰিছে।

কেৱল কাল সংস্কৃতি ...